**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 15-02-2026

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***

**<u>HEADLINE</u>**

ooooo

১। মৰিগাঁও, নগাঁও আৰু হোজাই জিলাত আজি আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

২। মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা।

৩। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰদান।

৪। বিশিষ্ট সাহিত্যিক, কবি তথা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি টৰেন বড়োৰ অন্ত্যেষ্টিক্ৰিয়া আজি ৰাজ্যিক মৰ্য্যাদাৰে সম্পন্ন।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোত বহু-প্ৰতিক্ষিত ভাৰত-পাকিস্তানৰ খেল । টছত জিকি পাকিস্তানৰ ভাৰতক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ মুঠ ৭ হাজাৰ ৯৬৪ গৰাকী উদ্যোগীৰ মাজত আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে। এই উপলক্ষে নগাঁৱৰ নেহৰুবালিত আয়োজিত অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, পীযূষ হাজৰিকা আৰু কৃষ্ণেন্দু পাল উপস্থিত থাকে। আজি মৰিগাঁও জিলাৰ এহেজাৰ ৯৪৪ গৰাকী, নগাঁও জিলাৰ ৪ হাজাৰ ১৯৬ গৰাকী আৰু হোজাই জিলাৰ এহেজাৰ ৮২৪ গৰাকী সম্ভাব্য উদ্যোগীৰ মাজত ধনৰাশি বিতৰণ কৰা হয়। এই আঁচনিৰ অধীনত সাধাৰণ শাখাৰ ৭ হাজাৰ ৯২৩ গৰাকীলৈ ২ লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ ৪১গৰাকীলৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে।

এই অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে এই ধনৰাশিয়ে ব্যক্তিগতভাৱে সকলোকে উপকৃত কৰাৰ লগতে ৰাজ্যৰ উদ্যমিতা খণ্ডকো যথেষ্ট সমৃদ্ধ কৰিব। তেওঁ লগতে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত পুঁজি লাভ কৰা যোগ্য লোকসকলক অতি শীঘ্ৰে দ্বিতীয় কিস্তিৰ ধন প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে।

বাইট (চি এম)

ড০ শৰ্মাই আজি নগাঁও চহৰত পুনৰনিৰ্মাণ কৰি উলিওৱা ৰূপকোঁৱৰৰ চ'ক আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰে। তেওঁ এই প্ৰতিমূৰ্তিটো কেৱল

ৰূপকোঁৱৰলৈ শ্ৰদ্ধাঞ্জলি নহয়, বৰঞ্চ নগাঁও তথা ৰাজ্যখনৰ চহকী কলা, ঐতিহ্য আৰু গৌৰৱৰ প্ৰতীক বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে মৰিকলং বিলৰ পাৰত সৌন্দৰ্যবৰ্ধনৰ উদ্দেশ্যে নতুনকৈ নিৰ্মাণ কৰা শ্ৰদ্ধাঞ্জলি উদ্যানখন মুকলি কৰে। নগাঁও চহৰৰ সেউজ পৰিবেশ সংৰক্ষণৰ জৰিয়তে ৰাজহুৱা অৱসৰ বিনোদনৰ স্থান হিচাপে ২৫ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই উদ্যানখন নিৰ্মাণ কৰি উলিওৱা হৈছে। উদ্যানখনত খোজকঢ়াৰ সুবিধা, যোগাভ্যাসৰ স্থান, নৌকা বিহাৰ, আধুনিক কেফেটেৰিয়া আদিৰ সুবিধা আছে। এই উদ্বোধনী অনুষ্ঠানত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, মন্ত্ৰী কেশৱ মহন্ত আৰু পীযুষ হাজৰিকা উপস্থিত থাকে।

ooooo

মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানৰ শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা ভক্তৰ দীঘলীয়া শাৰী দেখা গৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত থকা শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা বন্তি, ধূপ-ধূনা আৰু নৈবদ্যৰে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হয়। ঐতিহাসিক শ্ৰীশ্ৰীলংকেশ্বৰ ধামত আজি শিৱ চতুদৰ্শী তিথিৰ সৈতে সংগতি ৰাখি মহাশিৱৰাত্ৰি পূজা আৰু মহামেলা উৎসৱৰ আয়োজন কৰা হৈছে। পামহীৰ ভীমাশংকৰ মন্দিৰতো আজি পুৱাৰে পৰা বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হৈছে। একেদৰে, সোমনাথ মন্দিৰ, শুক্ৰেশ্বৰ দেৱালয়, বশিষ্ঠ ধাম আদিতো বহু ভক্তৰ সমাগম হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজাৰ আয়োজন কৰা হৈছে। জিলাখনৰ শ'লমাৰীত নৱ-নিৰ্মিত শিৱ মন্দিৰত চাৰি দিনীয়াকৈ শিৱ পূজা পালন কৰা হৈছে। ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত কালিৰে পৰা চাৰি দিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হৈছে। কালি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱ পূজা চলি আহিছে। একেদৰে, গোৱালপাৰা চহৰৰ ভূতনাথ শ্মশানতো শিৱ পূজাৰ আয়োজন কৰা হৈছে।

বজালী জিলাৰ কালদিয়া নদীৰ পাৰত থকা প্ৰায় ২১৩ বছৰ পুৰণি বটবৃক্ষৰ তলত থকা শিৱ থানত অঞ্চলটোৰ ৰাইজে শিৱৰাত্ৰি উপলক্ষে পূজা-অৰ্চনাৰ আয়োজন কৰিছে।

মৰিগাঁও জিলাৰ জাগীৰোডত ঐতিহাসিক গোভা দেওৰজাৰ দেওশাল চাৰিঘাই শিৱধামত যথাবিহিত পৰম্পৰাৰে শিৱৰাত্ৰিৰ আয়োজন কৰা হৈছে। আজি আমেৰিকাৰ পৰা অহা ছজনীয়া পৰ্য্যটকৰ দলে মন্দিৰ চৌহদ দৰ্শন কৰে। এই পূজা সন্দৰ্ভত এয়া আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকন -

-বাইট-

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত আজি যথা ৰীতি-নীতিৰে আশুতোষৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু কালিৰে পৰা পাঁচদিনীয়া মেলাৰ আয়োজন কৰা হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে শিৱদৌলত আজি পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটিছে। জিলা প্ৰশাসনে অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি পূজা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৃহৎ মেলাৰ আয়োজন কৰা হৈছে। মেলাত ৫০০ৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানে অংশ লৈছে বুলি

আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। শিৱৰাত্ৰিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

তিনিচুকীয়া নগৰৰ মাকুম পথত থকা শিৱ থান, বৰডুবিৰ টিলিঙা মন্দিৰত শিৱৰাত্ৰিৰ পূজাৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলাতো শিৱৰাত্ৰি পূজা ধৰ্মীয় ৰীতি-নীতিৰে আৰম্ভ হৈছে। ডিব্ৰুগড় মহানগৰৰ পাঁচআলিত থকা শিৱ মন্দিৰ, চৌকিডিঙ্গি শ্মশানত থকা শিৱ মন্দিৰকে ধৰি বিভিন্ন অঞ্চলত শিৱৰাত্ৰি পালনৰ বাতৰি পোৱা গৈছে।

নগাঁও জিলাৰ সাৰ্বজনীন শিৱমন্দিৰতো শিৱৰাত্ৰি পালন কৰা হৈছে। নগাঁও চহৰৰ মালভোগবাবা আশ্ৰম শিৱমন্দিৰ, কলংপাৰ শিৱমন্দিৰৰ উপৰি অন্যান্য স্থানত শিৱৰাত্ৰিৰ পূজাৰ আয়োজন কৰা হৈছে।

ধেমাজি জিলাৰ ঐতিহাসিক ঘুগুহা দৌলত তিনিদিনীয়া কাৰ্য্যসূচীৰে মহা শিৱৰাত্ৰি পালন কৰা হৈছে। শিৱৰাত্ৰি উপলক্ষে আজি পুৱাৰে পৰা দৌলত অগণন ভক্তৰ সমাগম হৈছে। শিৱৰাত্ৰি পূজাৰ সৈতে সংগতি ৰাখি নাম পৰিৱেশন আৰু ভাওনা পৰিৱেশনৰো ব্যৱস্থা কৰা হৈছে।

শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি বৰাক উপত্যকাৰ প্ৰাচীন শৈৱতীৰ্থ ভূৱন তীৰ্থক্ষেত্ৰত ভূৱন মেলা আৰম্ভ হৈছে। শিৱৰাত্ৰি উপলক্ষে অসংখ্য তীৰ্থযাত্ৰীয়ে পৰম্পৰা ৰক্ষা কৰি ভূৱন পাহাৰ বগাবলৈ আৰম্ভ কৰিছে। কাছাৰ জিলা প্ৰশাসনে তীৰ্থযাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে। আৰক্ষী-প্ৰশাসনৰ উদ্যোগত এটা অস্থায়ী নিয়ন্ত্ৰণ কক্ষ মুকলি কৰা হৈছে।

কাছাৰ জিলাৰ শিলচৰৰ অন্নপূৰ্ণা মন্দিৰ, তাৰাপুৰ শিৱবাৰী, অম্বিকেশ্বৰ মন্দিৰ, শিলচৰ শ্মশানঘাটকে ধৰি বিভিন্ন স্থানৰ শিৱ মন্দিৰসমূহত ভক্তসকলে ধূপ, দীপ, নৈবেদ্যৰে ভোলানাথৰ আৰাধনা কৰিছে।

শ্ৰীভূমি জিলাতো পৰম্পৰা বৰ্তাই ৰাখি মহা শিৱৰাত্ৰিৰ আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন স্থানৰ শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা ভক্তসকলে পূজা-অৰ্চনা কৰিছে। পাঁচগ্ৰাম থানা এলেকাৰ সিদ্ধেশ্বৰ শিৱ মন্দিৰত বহু ভক্তৰ সমাগমেৰে পবিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

ooooo

২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটাসমূহ আজি কিছু সময় পূৰ্বে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত প্ৰদান কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাইয়ো অনুষ্ঠানত ভাগ লয়। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে অসমীয়া চলচ্চিত্ৰৰ গৌৰৱময় যাত্ৰাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে নতুন প্ৰজন্মক চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰখনলৈ আগবাঢ়ি অহাৰ বাবে উৎসাহিত কৰে। চলচ্চিত্ৰ ক্ষেত্ৰখন প্ৰতিভা বিকাশৰ অন্যতম ক্ষেত্ৰ বুলি তেওঁ মত প্ৰকাশ কৰে।

-বাইট-

এইবেলি **বেলকনিত ভগৱান** ছবিখনে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰিছে। **শব্দ নিশব্দ কোলাহল** ছবিখনক ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে ঘোষণা কৰা হৈছে। **ধনজিৎ দাসে** ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰিছে। **শংকু ৰাজকোঁৱৰ** আৰু **জুবলি বৰুৱা**লৈ ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা আৰু **ৰাজদ্বীপ**লৈ ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ

গীতিকাৰৰ বঁটা আগবঢ়োৱা হৈছে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা **হৰিশ খান্না** আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা **মন্দাকিনী গোস্বামী**য়ে লাভ কৰিছে। এই বঁটাত থাকিব এখন প্ৰশস্তি পত্ৰৰ লগতে ৫০ হাজাৰ টকাৰ পৰা ২ লাখ টকাকৈ পুৰস্কাৰ আগবঢ়োৱা হৈছে।

০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন কাইলৈ আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অধিবেশনৰ দ্বিতীয় দিনা বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰৰ্তী লেখানুদান বাজেট উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্ত মন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

০০০০০

কালি দেহাৱসান ঘটা বিশিষ্ট সাহিত্যিক, কবি তথা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি টৰেন বড়োৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্য্যাদাৰে সম্পন্ন কৰা হয়। আজি অন্তিম যাত্ৰাৰ পূৰ্বে অসম সাহিত্য সভাই গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত বড়োৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। তেওঁৰ নশ্বৰ দেহ সাহিত্য সভা ভৱনলৈ অনাৰ পাছতে সভাৰ সদস্যসকলে পুষ্পাঞ্জলি তৰ্পণেৰে শ্ৰদ্ধা নিবেদন কৰে। বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীৰ আত্মাৰ চিৰশান্তি কামনাৰে অসম সাহিত্য সভাৰ যোৰহাট কেন্দ্ৰীয় কাৰ্য্যালয়কে ধৰি ১০ টা কাৰ্য্যালয়ত দিনটোৰ বাবে পতাকা অৰ্ধনমিত কৰি ৰখা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত বড়োৰ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। প্ৰয়াত সাহিত্যিকগৰাকীয়ে বড়োৰ লগতে অসমীয়া ভাষাতো সাহিত্য চৰ্চা কৰিছিল। তেওঁ দুবাৰকৈ বড়ো সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। টৰেন বড়ো সাহিত্য একাডেমীৰ সৈতেও ওতঃপ্ৰোতঃভাৱে জড়িত আছিল।

০০০০০

নিখিল বড়ো ছাত্ৰ সন্থা, এবছুৱে আজি সংগঠনটোৰ ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱস ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে পশ্চিমবঙ্গতো উদযাপন কৰে। চিৰাং জিলাৰ ভিৰান গাঁও হাইস্কুল খেলপথাৰত এবছুৱে বিভিন্ন কাৰ্য্যসূচীৰে কেন্দ্ৰীয়ভাৱে দিৱস উদযাপন কৰে। অনুষ্ঠানৰ পতাকা উত্তোলন কৰি দিয়া ভাষণত এবছুৰ সভাপতি দীপেন বড়োৱে বড়ো জনগোষ্ঠীৰ সৰ্বাঙ্গীন উত্তৰণৰ ক্ষেত্ৰত এবছুৱে পালন কৰি অহা ভূমিকাৰ কথা উল্লেখ কৰে। অনুষ্ঠানত কোকৰাঝাৰ সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, বিজনী কলেজৰ সহযোগী অধ্যাপক ড০ গৌগম ব্ৰহ্ম কছাৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ বৰদলনি বন শিবিৰ এলেকাত আজি দুপৰীয়া গঁড়ৰ আক্ৰমণত এজন বনকৰ্মীৰ মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। বিভাগীয় সূত্ৰই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় উদ্যানত নিয়মীয়া তহলৰ সময়ত এটা গঁড়ে বনকৰ্মী দুজনক আক্ৰমণৰ লক্ষ্য কৰি লয়। গুৰুতৰভাৱে আহত দুয়োজনকে ততালিকে কঁহৰা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও ইয়াৰে চাহাবুদ্দিন নামৰ গৃহৰক্ষী

জোৱানজনক চিকিৎসকে মৃত ঘোষণা কৰে। ৰমেন বৰা নামৰ আনজন বনকৰ্মীক সংকটজনক অৱস্থাত উন্নত চিকিৎসাৰ বাবে যোৰহাটলৈ প্ৰেৰণ কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

সংগীত নাটক একাডেমীৰ উদ্যোগত আৰু মাজুলী মহাবিদ্যালয়ৰ সহযোগত আজি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত প্ৰাতিজ্ঞ শীৰ্ষক এটা বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। সংগীত নাটক একাডেমী বঁটা প্ৰাপক শিল্পী যোগেন দত্ত বায়ন, হৰিচৰণ ভূঞা বৰবায়ন, কৰুনা বৰা আৰু ভৱেন বৰবায়নকে ধৰি অন্যান্য শিল্পীসকলে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। সংগীত নাটক একাডেমীৰ উত্তৰ-পূব কেন্দ্ৰৰ সঞ্চালক ড০ অৰূপ বৰদলৈয়ে আদৰণি ভাষণ দিয়ে। অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে সন্মানিত হৰিচৰণ শইকীয়াই সত্ৰীয়া নৃত্য পৰিবেশন কৰাৰ লগতে মাজুলীৰ নতুন চামগুৰি সত্ৰৰ মুখাশিল্পী পদ্মশ্ৰী সন্মানেৰে সন্মানিত হেমচন্দ্ৰ গোস্বামীয়ে মুখা শিল্প সংস্কৃতি প্ৰদৰ্শন কৰে। বৰপেটা সত্ৰৰ লোকশিল্পী গুণীন্দ্ৰ নাথ ওজাই অংকীয়া ভাওনা আৰু বৰগীত বিষয়ত কেইবাগৰাকীও সহশিল্পীৰ সৈতে প্ৰদৰ্শনমূলক বক্তৃতা আগবঢ়াই সকলোকে আপ্লুত কৰে। দেশৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানসমূহত অনুষ্ঠিত কৰি অহা প্ৰাতিজ্ঞ শীৰ্ষক এই অনুষ্ঠানৰ অষ্টাদশ অনুষ্ঠানটি মাজুলী মহাবিদ্যালয়ত আয়োজন কৰাৰ বাবে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ দেৱজিত শইকীয়াই সংগীত নাটক একাডেমীৰ শলাগ লয়।

ooooo

মাজুলীৰ আউনীআটী সত্ৰই বিশিষ্ট শিক্ষাবিদ তথা গৱেষক ড০ খগেন শৰ্মালৈ ২০২৬ বৰ্ষৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা বঁটা আগবঢ়াইছে। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পিতাম্বৰ দেৱগোস্বামীয়ে আজি এখন সংবাদমেলযোগে এই কথা ঘোষণা কৰে। তেওঁ কয় যে উদাসীন সত্ৰৰ পৰম্পৰা, ত্যাগ আৰু দৰ্শন সন্দৰ্ভত কৰা গৱেষণাৰ স্বীকৃতিস্বৰূপে ড০ খগেন শৰ্মালৈ এই বঁটা আগবঢ়োৱা হৈছে।

ooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত খন্তেক পাছতে ভাৰত আৰু পাকিস্তানৰ মাজৰ বহুপ্ৰতীক্ষিত খেলখন আৰম্ভ হ'ব। পাকিস্তানে টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

ইয়াৰ পূৰ্বে আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰই নামিবিয়াক ৩১ ৰাণত পৰাস্ত কৰে। আমেৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ১৯৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নামিবিয়াই নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ১৬৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

ooooo

বজালী জিলা কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি তথা সমাজ কৰ্মী শৈলেন্দ্ৰ নাথ দাসৰ যোৱা নিশা পাঠশালাৰ নিজা বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। মধুমেহ আৰু বৃক্কৰোগত আক্ৰান্ত হৈ প্ৰয়াত দাস প্ৰায় ৩ বছৰ ধৰি চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। নেতাগৰাকীৰ মৃত্যুত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈকে ধৰি দলীয় নেতা-কৰ্মী, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু স্থানীয় ৰাইজে গভীৰ শোক প্ৰকাশ কৰে।